# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 16-07-2025

**Time :** 18-45   Hrs

***Assamese EVENING Bulletin***

***::::::::::::::::::::::::::::::::***

১।	মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগ পৰিদৰ্শন।

২।	কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধী আৰু দলটোৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ ছয়গাঁৱত দলীয় সমাৱেশত অংশগ্ৰহণ। ৰাজ্যৰ বিজেপি চৰকাৰক সমালোচনা।

৩।	বৰাক উপত্যকা আৰু চিৰাং জিলাত এনকেফেলাইটিছ্ আৰু মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ। ৰোগ প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগৰ তৎপৰতা।

৪।	ঝাৰখণ্ডৰ বোকাৰো জিলাত নক্সালবাদীৰ বিৰুদ্ধে চলোৱা অভিযানকালত চিআৰপিএফত কৰ্মৰত অসমৰ জোৱান নিহত।

*আৰু*

৫।	উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ মহাপ্ৰবন্ধকৰ ৰঙিয়া সংমণ্ডল অধীনস্থ কেইবাটাও ৰে’ল ষ্টেচন পৰিদৰ্শন।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰতিষ্ঠানটোৰ চিকিৎসক, নাৰ্ছ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ পাছত স্বাস্থ্যসেৱা সম্প্ৰসাৰণৰ ক্ষেত্ৰত থকা সমস্যাসমূহ সমাধানৰ বাবে বিষয়ববীয়া সকলৰ সৈতে এখন উচ্চস্তৰীয় বৈঠকত মিলিত হয়। চিকিৎসা মহাবিদ্যালয়খনত চিকিৎসক আৰু নাৰ্ছৰ আৱাসগৃহৰ ব্যৱস্থা কৰাৰ লগতে অত্যাধুনিক চিকিৎসা সঁজুলি প্ৰদান কৰা হ’ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**বাইট (চি এম)**

এই পৰিদৰ্শনকালত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ উপৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০

লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী বুলি অভিযোগ কৰিছে।  অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আজি ছয়গাঁৱৰ বনগাঁৱত আয়োজন কৰা এখন দলীয়

সমাৰেশত ভাষণ দি শ্ৰীগান্ধীয়ে কয়, যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসমৰ ভূমি ব্যক্তিগত ব্যৱহাৰৰ বাবে অধিগ্ৰহণ কৰিছে। সংবাদ মাধ্যমে বৰ্তমান সত্য কথা প্ৰকাশ নকৰে বুলিও ৰাহুল গান্ধীয়ে অভিযোগ কৰে। তেওঁ কয়—

**বাইট (ৰাহুল গান্ধী)**

সমাৰেশত অংশগ্ৰহণ কৰি নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কংগ্ৰেছ দলে শেহতীয়াকৈ অসমত ইয়াৰ স্থিতি শক্তিশালী কৰিছে বুলি দাবী কৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ব্যক্তিগত সম্পত্তিৰ পৰিমাণ যোৱা কিছুবছৰত বৃহৎ পৰিমাণে বৃদ্ধি পাইছে বুলি তেওঁ অভিযোগ কৰে। তেওঁ কয়, যে দেশত যোৱা কেই বছৰত ধৰ্নাঢ্য সকলৰ সম্পত্তি বহুগুণে বৃদ্ধি পোৱাৰ বিপৰীতে দুখীয়াসকল অধিক দুখীয়া হৈ গৈছে। অসমৰ জনসাধাৰণৰ ওপৰত বৰ্তমান ২ লাখ কোটি টকাৰ ঋণৰ বোজা পৰিছে বুলিও কংগ্ৰেছ সভাপতিগৰাকীয়ে অভিযোগ কৰে।

**বাইট (মল্লিকাৰ্জুন খাৰ্গে)**

সভাত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালেও ভাষণ দিয়ে।

ইয়াৰ আগতে মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি গুৱাহাটীৰ এখন হোটেলত কংগ্ৰেছৰ জিলা সভাপতিসকলৰ সৈতে বৈঠকত মিলিত হয়। তেওঁলোকে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, ৰাজনীতিক পৰিক্ৰমা সদস্য, প্ৰদেশ কংগ্ৰেছৰ বিষয়ববীয়া, সাংসদ-বিধায়ক আৰু দলৰ জিলা সভাপতিসকলৰ সৈতে দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ সন্দৰ্ভত আলোচনা কৰে। এই বৈঠকৰ প্ৰাকমুহূৰ্তত দলৰ ৰাজ্যিক সভাপতি শ্ৰীগগৈয়ে সাংবাদিকৰ আগত কয়, যে কংগ্ৰেছ দলে অসমৰ জনসাধাৰণৰ কল্যাণৰ হকে, খিলঞ্জীয়া মানুহৰ ভূমিপট্টাৰ বাবে আৰু সংখ্যালঘু নিৰাপত্তাৰ বাবে যুঁজ দিব।

০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগ তৎপৰ হৈ উঠিছে। বিভাগীয় সূত্ৰ অনুসৰি এই ৰোগত আক্ৰান্ত হৈ ৰাজ্যখনত এতিয়ালৈ কমেও ২৬ জন লোকৰ মৃত্যু হৈছে। উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাৰ লগতে বৰাক উপত্যকাত মুঠ ২৫০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। চিৰাং জিলাত জাপানীজ এনকেফেলাইটিছ আৰু মেলেৰীয়া ৰোগত চলিত বছৰত কালি পৰ্যন্ত ৪১১ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৪০৫ জন মেলেৰীয়াত আৰু ছজন লোক এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে। স্বাস্থ্য বিভাগে জিলাখনত ঔষধযুক্ত আঁঠুৱা বিতৰণৰ লগতে প্ৰতিষেধক স্প্ৰে কৰা, ধোঁৱা দিয়া আৰু সজাগতা কাৰ্যসূচী অব্যাহত ৰাখিছে।

কাৰ্বি আংলঙত কালি এই ৰোগত আক্ৰান্ত হৈ দুগৰাকী ৰোগীয়ে প্ৰাণ হেৰুৱায়। বৰ্তমান ডিফু চিকিৎসা মহাবিদ্যালয়ত এই ৰোগত আক্ৰান্ত হৈ ৯ টি শিশু চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে জিলা স্বাস্থ্য বিভাগে আহ্বান জনাইছে। হোজাই জিলাত ৩ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। আটাইকেইজন গুৱাহাটীত চিকিৎসাধীন হৈ আছে আৰু সুস্থ হৈ উঠিছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। জিলাখনৰ স্বাস্থ্য বিভাগে এই ৰোগৰ উপৰি মেলেৰীয়া ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

ঝাৰখণ্ডৰ বোকাৰু জিলাত সুৰক্ষা বাহিনী আৰু নক্সালবাদীৰ মাজত হোৱা সংঘৰ্ষত অসমৰ এগৰাকী জোৱানৰ লগতে দুজন নক্সালবাদী নিহত হৈছে। এই সংঘৰ্ষত নিহত হোৱা কোব্ৰা বেটেলিয়নৰ জোৱানজন কোকৰাঝাৰৰ প্ৰাণেশ্বৰ কোঁচ বুলি জানিব পৰা গৈছে। প্ৰাণেশ্বৰ কোচ চি আৰ পি এফৰ ২০২ নম্বৰ কোব্ৰা ৰেজিমেণ্টত কৰ্মৰত আছিল। সংঘৰ্ষত সুৰক্ষা বাহিনীয়ে উপ-মাওলিক নক্সাল কমাণ্ডাৰ কুঁৱৰ মাঝি ওৰফে ছাহদেউ মাঝি ওৰফে ছাদেক গুলীয়াই নিধন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডৰ সংঘৰ্ষত নিহত কোকৰাঝাৰৰ ছহিদগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছে। তেওঁ লগতে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ছহিদগৰাকীৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰৱন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱে কালি ৰঙিয়া সংমণ্ডলৰ অধীনৰ বাইহাটা, চাংসাৰি, কেণ্ডুকোনা, আগিয়াঠুৰী আৰু ৰঙিয়া ষ্টেচন পৰিদৰ্শন কৰি ৰে'লৰ আন্তঃগাঁথনি পৰ্যালোচনা কৰে। তেওঁ ৰে'ল ষ্টেচন কেইটাৰ যাত্ৰীৰ সা-সুবিধা, ৰে'ল চলাচলৰ সুৰক্ষা ব্যৱস্থা আৰু ছিগনেলিং আন্তঃগাঁথনিৰ বুজ লয়। মহাপ্ৰৱন্ধকগৰাকীয়ে বাইহাটাত নতুন গতিশক্তি কাৰ্গো টাৰ্মিনেলৰ উন্নয়ন কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। এই টাৰ্মিনেলত তিনিবিধ নিৰ্দিষ্ট সামগ্ৰীৰ বাবে পৃথক ৰে'ল লাইন দুখন মালবাহী ৰে'লগাড়ীৰ প্লেটফৰ্ম আৰু মালবাহী ট্ৰাকৰ পৰা বয়-বস্তু উঠা-নমাৰ বাবে বিশেষ ৰেম্পৰ ব্যৱস্থা কৰা হৈছে। বাইহাটা কাৰ্গো টাৰ্মিনেল কাৰ্যক্ষম হৈ উঠিলে ইয়াৰ পৰা প্ৰতিমাহে ২৫ খন মালবাহী ৰে'লগাড়ীৰ পৰা মালবস্তু উঠা-নমা কৰিব পৰা যাব।

আনহাতে কালি ৰঙিয়া ষ্টেচন পৰিদৰ্শনকালত অঞ্চলটোৰ কেইবাটাও যাত্ৰী সংগঠনৰ প্ৰতিনিধিক মহাপ্ৰৱন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱে সাক্ষাতৰ অনুমতি নিদিয়া বুলিও সংগঠনকেইটাই অভিযোগ কৰিছে।

০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত চলি থকা শিশু মহোৎসৱৰ আজি সপ্তম দিনা কৰ্কট ৰোগ সম্পৰ্কীয় সজাগতা শিবিৰ অনুষ্ঠিত হয়। কৰ্কট ৰোগৰ বিৰুদ্ধে যুঁজ দি ৰোগীক সহায়ৰ হাত আগবঢ়াই অহা সমাজসেৱী সংগঠন প্ৰতিশ্ৰুতিৰ উদ্যোগত এই শিবিবিৰ মুকলি কৰা হয়। শিবিৰত বিশেষজ্ঞ চিকিৎসক ডাঃ যদুনাথ বুঢ়াগোহাই আৰু ডাঃ শিখা শৰ্মাই ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলক স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন গুৰুত্বপূৰ্ণ দিশ সন্দৰ্ভত পৰামৰ্শ দিয়ে। অসম প্ৰকাশন পৰিষদে এই ধৰণৰ শিবিৰ অনুষ্ঠিত কৰি নিদৰ্শন দাঙি ধৰিছে বুলি দুয়োগৰাকী চিকিৎসকে মন্তব্য কৰে। আজি পুৱাৰ অনুষ্ঠান আৰতি হাজৰিকাৰ যোগাসনেৰে আৰম্ভ হয়। ইয়াৰ পাছত বিগত কেইদিনৰ দৰে শিশুসকলৰ বাবে নাটক, নৃত্য, মোকাভিনয় আৰু সুকুমাৰ কলাৰ কৰ্মশালা অনুষ্ঠিত হয়। সংগীতৰ কৰ্মশালাত আজি সমাদৃত শিল্পী তৰালী শৰ্মাই অংশগ্ৰহণ কৰে। বিয়লি ৩ বজাৰ পৰা ছৈয়ানি চক্ৰৱৰ্তী পৰিচালিত **ইচ্ছেপূৰণ** নামৰ বাংলা ভাষাৰ ছুটি চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়। ইয়াৰ পাছতে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০

স্বাস্থ্য মন্ত্ৰী অশোক সিংহালে বাক্সাৰ মুছলপুৰত আজি ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসালয়খনত থকা অভাৱ অভিযোগৰ খতিয়ান লয়। পৰিদৰ্শনকালতে মন্ত্ৰী সিংহালে শেহতীয়াকৈ ৰাজ্যৰ চিকিৎসালয়সমূহত পৰ্যাপ্ত পৰিমাণে ঔষধৰ লগতে চিকিৎসাৰ অত্যাধুনিক সা-সৰঞ্জাম উপলব্ধ হৈছে বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত শীঘ্ৰে আই চি ইউ কাৰ্যক্ষম কৰাৰ ব্যৱস্থা কৰা

হ'ব বুলিও মন্তব্য কৰে। চিকিৎসালয়ৰ পৰিদৰ্শনৰ অন্তত মন্ত্ৰীগৰাকীয়ে বাক্সা জিলা আয়ুক্তৰ সভাকক্ষত জিলা উপায়ুক্ত তথা অন্যান্য বিষয়ববীয়াৰ উপস্থিতিত বাক্সা আৰু তামুলপুৰ জিলা দং বান্ধ কমিটিৰ সৈতে এখন পৰ্যালোচনা বৈঠকত ভাগ লয়। বৈঠকৰ অন্তত মন্ত্ৰীগৰাকীয়ে বিগত ৮০ বছৰে স্থানীয় লোকৰ প্ৰচেষ্টাত চলি থকা দং বান্ধৰ বাবে গৌৰৱ অনুভৱ কৰে বুলি প্ৰকাশ কৰে। দং বান্ধৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাৰ বিষয়ে জলসিঞ্চন বিভাগে গুৰুত্ব সহকাৰে চিন্তা কৰিব লাগে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। দং বান্ধৰ আদৰ্শক আন স্থানলৈ নি কৃষক তথা সাধাৰণ লোকক উপকৃত কৰিব পাৰি নেকি সেই বিষয়েও বৈঠকত আলোচনা হোৱা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। একে সময়তে ৰাজ্যৰ শেহতীয়া খৰাং তথা বহু খেতিপথাৰত জলসিঞ্চনৰ ব্যৱস্থা নথকা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে মতামত প্ৰকাশ কৰি কয়, যে নদীৰ গতিপথ সলনি হোৱাৰ বাবে ২০ শতাংশ জলসিঞ্চন প্ৰকল্পই বৰ্তমান বিকল হৈ আছে।।

০০০০

বজালী জিলাৰ সীমা নিৰ্ধাৰণ আৰু জিলাকেন্দ্ৰিক সকলো কাৰ্যালয় স্থাপনৰ দাবীত বজালী জিলা সুৰক্ষা সমিতিয়ে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। চৰকাৰীভাৱে বজালী মহকুমাক জিলা হিচাপে স্বীকৃতি দিয়াৰ ৪ বছৰ সম্পূৰ্ণ হ'ল যদিও এতিয়ালৈ জিলাখনৰ চাৰিসীমা নিৰ্ধাৰণ হোৱা নাই। তদুপৰি জিলা এখনৰ পৰিচালনাৰ বাবে প্ৰয়োজনীয় বিভাগসমূহো কাৰ্যকৰী নোহোৱাৰ ফলত জনসাধাৰণ অসুবিধাৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বজালী জিলা সুৰক্ষা সমিতিৰ এটা দলে মুখ্যমন্ত্ৰীলৈ কেইবাটাও দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। এই স্মাৰক পত্ৰত জিলাখনৰ শীঘ্ৰেই সীমা নিৰ্ধাৰণ, চিকিৎসা মহাবিদ্যালয় স্থাপন, জিলাভিত্তিক সকলো কাৰ্যালয় স্থাপনকে ধৰি কেইবাটাও দাবী উত্থাপন কৰা হৈছে।

০০০০

ডিমা হাচাও জিলাৰ মাহুৰ আৰক্ষী থানাৰ অন্তৰ্গত হাংগ্ৰুম গাঁৱত আজি ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণথলীত হোৱা ভূমিস্খলনত এজন লোক নিহত আৰু ৭ জন লোক আহত হৈছে। যোৱা নিশা হোৱা প্ৰবল বৰষুণৰ ফলত সংঘটিত এই দুৰ্ঘটনাত পথৰ নিৰ্মাণকাৰ্যত জড়িত এই শ্ৰমিককেইজন হতাহত হয়। গুৰুতৰভাৱে আহত দুজন শ্ৰমিকক হাফলং অসামৰিক চিকিৎসালয়লৈ পঠিওৱা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনৰ সহযোগত জিলা শিক্ষা বিভাগে হাতশিঙিমাৰীত ছাত্ৰ-ছাত্ৰীৰ বাবে ৭ দিনীয়া গ্ৰীষ্মকালীন বেডমিণ্টন প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিছে। ১৪ জুলাইৰ পৰা চলি থকা এই বেডমিণ্টন প্ৰশিক্ষণ শিবিৰত অসম বেডমিণ্টন দলৰ প্ৰাক্তন প্ৰশিক্ষক নুৰাল আখতাৰ হুছেইনে মুখ্য প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰিছে। প্ৰথমবাৰৰ বাবে জিলাখনত আয়োজন কৰা এই প্ৰশিক্ষণ শিবিৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল খেলবিধৰ প্ৰতি আগ্ৰহী হ'ব বুলি হাতশিঙিমাৰীৰ সমগ্ৰ শিক্ষা জিলা আঁচনি বিষয়া ৰফিউল আলম আহমেদে আশা প্ৰকাশ কৰে।

০০০০

ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত গোলাঘাট জিলাৰ মেৰাপানীত আজি বিকাশ বঁটাৰ অধীনত অঞ্চলটোৰ ৩ টা সমষ্টিৰ ৯২ গৰাকী ছাত্ৰ-ছাত্ৰীক চেক বিতৰণ কৰা হয়। ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদে বিগত বৰ্ষসমূহৰ দৰে ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক চাওদাং পথাৰ শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত জ্ঞান বিকাশ বঁটা প্ৰদান

কৰে। প্ৰতিগৰাকী শিক্ষাৰ্থীকৈ এটাকৈ মেহগণি গছৰ পুলি, প্ৰমাণপত্ৰ আৰু ১০ হাজাৰ টকাৰ একোখনকৈ চেক প্ৰদান কৰা হয়।

০০০০

ৰাজ্যত নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে অভিযান অব্যাহত আছে। এনে অভিযানৰ অংশ হিচাপে কাছাৰ আৰক্ষীয়ে আজি চুবুৰীয়া ৰাজ্যৰ পৰা অহা এখন বাহনৰ পৰা ২০ হাজাৰ য়াবা টেবলেট জব্দ কৰে আৰু এই সংক্ৰান্তত দুজন লোকক আটক কৰে। জব্দ কৰা য়াবা টেবলেটখিনিৰ বজাৰ মূল্য প্ৰায় ছয় কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে।

০০০০

গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত ৰাজ্যৰ ১৯ বছৰ অনুৰ্ধ এটি ১৭ জনীয়া ফুটবল দল এইমাহৰ শেষ ভাগলৈ স্পেইনলৈ যাব। এই দলটোৱে স্পেইনত মাৰভেলো ফুটবল ক্লাৱত ১৪ দিনৰ প্ৰশিক্ষণ গ্ৰহণ কৰিব। এই দলটোত ৭০ সংখ্যক বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাত ভাল প্ৰদৰ্শন কৰা কেইবাগৰাকী খেলুৱৈক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০

দৰং জিলাৰ মঙলদৈৰ ৰামহৰিত আজি পুখুৰীত গা ধুবলৈ গৈ দুটি শিশুৰ সলিল সমাধি ঘটে। শিশু দুটি ৰামহৰিৰ ৮ বছৰীয়া দৃষ্টি হাজৰিকা আৰু বেজপাৰা টিয়াঝাৰ নিবাসী ১০ বছৰীয়া ধৰিত্ৰী ডেকা বুলি চিনাক্ত কৰা হৈছে। পানীত বুৰ যোৱা শিশু দুটিক ৰাইজে উদ্ধাৰ কৰি মঙলদৈৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে দুয়োকে মৃত বুলি ঘোষণা কৰে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

০০০০

মঙলদৈৰ বামুণপাৰা নিবাসী হীৰাপাৰা মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন্দ্ৰ নাথ শৰ্মাৰ আজি পুৱা দেহাৱসান ঘটে। আকাশবাণী গুৱাহাটীৰ অংশকালীন ঘোষক তথা সংগীত শিল্পী প্ৰাঞ্জল শৰ্মাৰ পিতৃ নগেন্দ্ৰ নাথ শৰ্মাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ।

০০০০

গুৱাহাটীৰ পাঞ্জাবাৰী অঞ্চলৰ জুৰিপাৰৰ নিৱাসী কটন কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ সুনিল বৰঠাকুৰৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। কিছুদিন ধৰি অসুস্থ হৈ থকা ডঃ বৰঠাকুৰৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৮ বছৰ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডক্টৰেট ডিগ্ৰী লাভ কৰা ডঃ বৰঠাকুৰে প্ৰথমে কিছুদিন মঙলদৈ মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ পাছত কটন কলেজত যোগদান কৰি সুদীৰ্ঘ কাল অধ্যাপনাৰ অন্তত ২০০৭ চনত অৱসৰ গ্ৰহণ কৰিছিল।

০০০০

**ঃঃ সমাপ্ত ঃঃ**